**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-03-2024
**Time :** 0705 Hrs.

***Assamese Morning Bulletin***

**::::::::::::::::::::::::::::::::::::**

## Headlines

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আনক নিন্দা আৰু ঠাট্টা কৰাটো কংগ্ৰেছৰ পুৰণি সংস্কৃতি বুলি অভিযোগ কৰিছে।
২। দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কালি অধিসূচনা জাৰি কৰা হয়।
৩। অসমত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে দাখিল কৰা মনোনয়ন পত্ৰসমূহ পৰীক্ষাৰ অন্তত কালি ৩৬ খন মনোনয়ন বৈধ বিবেচিত হৈছে।
৪। ভাৰতৰ ৰোহন বোপন্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এব্‌ডেনৰ যুটিটো মিয়ামী অ'পেন টেনিছ্ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ফাইনেলত প্ৰৱেশ কৰিছে। ***আৰু***
৫। ৰাজস্থান ৰয়েলছে যোৱা নিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ডেলহি কেপিটেলছক ১২ ৰানত পৰাস্ত কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইবুলি অভিযোগ কৰিছে যে আনক নিন্দা আৰু ঠাট্টা কৰাটো কংগ্ৰেছৰ পুৰণি সংস্কৃতি। ন্যায়পালিকাৰ  সততা বিনষ্ট কৰাৰ বাবে চলোৱা প্ৰচেষ্টাক লৈ উদ্বেগ প্ৰকাশ কৰি উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়লৈ অধিবক্তাসকলৰ এটা গোটে লিখা পত্ৰৰ উদ্ধৃতি দি প্ৰধানমন্ত্ৰীয়ে কালি সামাজিক মাধ্যমযোগে এই অভিযোগ উত্থাপন কৰে। শ্ৰীমোদীয়ে কয় যে ৫ দশক পূৰ্বে কংগ্ৰেছে প্ৰতিশ্ৰুতিবদ্ধ ন্যায়পালিকাৰ আহ্বান জনাইছিল। কংগ্ৰেছে আনৰ পৰা প্ৰতিশ্ৰুতিবদ্ধতা বিচাৰে যদিও ৰাষ্ট্ৰৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়টোৰ পৰা আঁতৰি ফুৰে বুলি প্ৰধানমন্ত্ৰীয়ে দাবী কৰে। তেওঁ কয় যে, ১৪০ কোটি ভাৰতীয়ই কংগ্ৰেছক প্ৰত্যাখ্যান কৰাটো কোনো ডাঙৰ কথা নহয়।

হৰিশ ছালভে, মনন কুমাৰ মিশ্ৰা, আৰু পিংকী আনন্দসহ একাংশ আগশাৰীৰ অধিবক্তাই উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশলৈ এই পত্ৰখন প্ৰেৰণ কৰিছে। পত্ৰখনত তেওঁলোকে ন্যস্ত স্বাৰ্থজড়িত এটা গোটে তুচ্ছ যুক্তি আৰু পুৰণি ৰাজনৈতিক কাৰ্যসূচীৰ ভিত্তিত  ন্যায়পালিকাৰ ওপৰত হেচা প্ৰয়োগ কৰা, আইনী প্ৰক্ৰিয়া প্ৰভাৱিত কৰা আৰু ন্যায়ালয় সমূহক বদনাম কৰাৰ প্ৰয়াস চলাই আছে বুলি উল্লেখ কৰিছে। ৰাজনৈতিক গোচৰ বিশেষকৈ ৰাজনৈতিক নেতাৰ সৈতে জড়িত দুৰ্নীতিৰ গোচৰসমূহত এনে ধৰণৰ হেচা স্পষ্টভাৱে দেখিবলৈ পোৱা যায় বুলি অধিবক্তাসকলে মন্তব্য কৰিছে।

কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই প্ৰধানমন্ত্ৰীৰ মন্তব্য সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে, ভাৰতৰ প্ৰতিষ্ঠানসমূহ দেশৰ জনসাধাৰণৰ সম্পদ । কংগ্ৰেছ দলে এই প্ৰতিষ্ঠানসমূহৰ নিৰ্মাণ আৰু বিকাশত সহায় কৰা বুলি তেওঁ উল্লেখ কৰে।

০০০০০০

দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কালি অধিসূচনা জাৰি কৰা হয়। এই পৰ্যায়ত দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ অন্তৰ্গত মুঠ ৮৮ খন আসনৰ লগতে আউটাৰ মণিপুৰ লোকসভা সমষ্টিৰ বাকী অংশৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। আউটাৰ মণিপুৰ সংসদীয় সমষ্টিৰ এটা অংশৰ বাবে প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। দ্বিতীয় পৰ্যায়ত কেৰালাৰ ২০ টা, কৰ্ণাটকৰ ১৪ টা, ৰাজস্থানৰ ১৩ টা, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ

আঠটাকৈ, মধ্যপ্ৰদেশৰ ৭টা, অসম আৰু বিহাৰৰ ৫ টাকৈ, পশ্চিমবংগ আৰু ছট্টিশগড়ৰ তিনিটাকৈ আৰু মণিপুৰ, ত্ৰিপুৰা আৰু জম্মু-কাশ্মীৰৰ এটাকৈ লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। অহা ২৬ এপ্ৰিলত ভোটগ্ৰহণ হ'বলগীয়া এই সমষ্টিসমূহৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ শেষ দিন হ'ব ৪ এপ্ৰিল। জম্মু-কাশ্মীৰৰ বাহিৰে এই পৰ্যায়ত সামৰি লবলগীয়া আটাইকেইটা সমষ্টিৰ মনোনয়ন পত্ৰসমূহ ৫ এপ্ৰিলত পৰীক্ষা কৰা হব। জম্মু-কাশ্মীৰত মনোনয়ন পত্ৰসমূহ ৬ এপ্ৰিলত পৰীক্ষা কৰা হব।

০০০০০০

কেৰালাত কালি মনোনয়ন পত্ৰ দাখিলৰ প্ৰথম দিনটোত লোকসভা সমষ্টিৰ বাবে ১৪ জন প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। ৰাজ্যখনত দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। ইফালে, মণিপুৰত সংসদীয় সমষ্টিৰ দুখন আসনৰ মনোনয়ন পত্ৰসমূহৰ পৰীক্ষণ সম্পূৰ্ণ হয়। ইয়াৰে দহখন মনোনয়ন পত্ৰ বৈধ বিবেচিত হোৱাৰ বিপৰীতে এখন মনোনয়ন পত্ৰ নাকচ কৰা হৈছে। আনহাতে, কালি পশ্চিমবংগত দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ অধিসূচনা জাৰি কৰা হয়।মনোনয়ন পত্ৰ দাখিলৰ শেষ তাৰিখ অহা ৪ এপ্ৰিল। ৫ এপ্ৰিলত মনোনয়ন পত্ৰৰ পৰীক্ষণ সম্পন্ন হ'ব।

০০০০০০

পেলেষ্টাইনত কালি ৰাষ্ট্ৰপতি মহম্মদ আববাছে এখন নতুন চৰকাৰ গঠনত অনুমোদন জনায়। ২৩ জনীয়া মন্ত্ৰীসভাৰে গঠিত নৱনিৰ্বাচিত চৰকাৰখনক প্ৰধানমন্ত্ৰী মহম্মদ মুস্তাফাই নেতৃত্ব দিব। তেওঁ বৈদেশিক মন্ত্ৰীৰূপেও সেৱা আগবঢ়াব। পেলেষ্টাইনৰ চৰকাৰী বাতৰি সংস্থা **ৱাফা**ৰ মতে, মহম্মদ মুস্তাফাই চৰকাৰৰ কাৰ্য আঁচনি দাঙি ধৰে আৰু ৰাষ্ট্ৰপতিৰ হাতত মন্ত্ৰীসভাৰ তালিকা প্ৰদানৰ লগতে চৰকাৰ গঠনৰ প্ৰস্তাৱ আগবঢ়ায়। সেই মৰ্মে ৰাষ্ট্ৰপতিয়ে দেশখনত ১৯ সংখ্যক চৰকাৰ গঠনৰ বাবে অনুমোদন জনায়। নতুন কেবিনেটত ৰাজ্যিক সাহায্য পৰিক্ৰমা মন্ত্ৰালয়কো অন্তৰ্ভুক্ত কৰা হ'ব।

মহম্মদ মুস্তাফাই ৰাষ্ট্ৰপতি আববাছক সম্বোধন কৰি কেবিনেট প্ৰতিবেদনত কয় যে, তাৎক্ষণিকভাৱে গাজাত যুদ্ধ বিৰতি ঘোষণা কৰাৰ লগতে ইজৰাইলী সেনা সম্পূৰ্ণৰূপে প্ৰত্যাহাৰ কৰা দিশটো ৰাষ্ট্ৰীয় অগ্ৰাধিকাৰ দিয়া হ'ব আৰু দেশখনৰ যুদ্ধ বিধবস্ত সকলো অঞ্চলতে বৃহৎ পৰিমাণৰ মানবীয় সাহায্য আগবঢ়োৱা হ'ব।চৰকাৰে গাজা ষ্ট্ৰীপ আৰু ৱেষ্ট বেংকত ধ্বংসপ্ৰাপ্ত প্ৰতিষ্ঠানসমূহৰ পুনৰ সংস্কাৰ সাধন কৰিব।

নতুন চৰকাৰখনে অহা দেওবাৰে ৰাষ্ট্ৰপতি আববাছৰ উপস্থিতিত সাংবিধানিক শপত গ্ৰহণ কৰিব।

০০০০০০

অসমত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে দাখিল কৰা মনোনয়ন পত্ৰসমূহ পৰীক্ষাৰ অন্তত কালি ৩৬ খন মনোনয়ন বৈধ বিবেচিত হৈছে। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে মুঠ ৩৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছিল। ইয়াৰে শোণিতপুৰৰ আৰু কাজিৰঙা সমষ্টিৰ পৰা দাখিল কৰা এখনকৈ মনোনয়ন নাকচ কৰা হয়। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ে এই বিষয়ে প্ৰকাশ কৰিছে। কাইলৈ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন।

ৰাজ্যৰ প্ৰথম পৰ্যায়ত অহা ১৯ এপ্ৰিলত হ'বলগীয়া লোকসভা নিৰ্বাচনত কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিক সামৰি লোৱা হ'ব। এই নিৰ্বাচনত বিজেপিৰ হৈ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, সাংসদ প্ৰদান বৰুৱা, প্ৰাক্তন মন্ত্ৰী তথা বিধায়ক ৰঞ্জিত দত্তই এই পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিছে। কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈ আৰু প্ৰাক্তন বিধায়িকা ৰ'জলিনা তিৰ্কীয়েও মনোনয়ন দাখিল কৰিছে। ডিব্ৰুগড় সমষ্টিত সৰ্বানন্দ সোণোৱালৰ বিৰুদ্ধে অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈ অৱতীৰ্ণ হৈছে। ইফালে, ৰাজ্যত দ্বিতীয় পৰ্যায়ৰ বাবেও মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। শিলচৰ আৰু নগাঁৱকে ধৰি পাঁচটা সমষ্টিত দ্বিতীয় পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০

রাষ্ট্রীয় অনুসন্ধানকাৰী সংস্থা নিয়াই কালি বাংগালুৰুত সংঘটিত ৰামেশ্বৰম কেফে বিস্ফোৰণৰ ঘটনাৰ সৈতে জড়িত এজন ষড়যন্ত্ৰকাৰীক গ্ৰেপ্তাৰ কৰে। সংস্থাটোৱে দোষীক কৰায়ত্ত কৰিবলৈ কৰ্ণাটক, তামিলনাডু আৰু উত্তৰ প্ৰদেশৰ বিভিন্ন ঠাইত তালাচী চলাইছে। তদন্তত প্ৰকাশ পাইছে যে, গ্ৰেপ্তাৰ হোৱা মূল ষড়যন্ত্ৰকাৰীজনে কেফেখনত সংঘটিত আই ই ডি বিস্ফোৰণৰ ঘটনাৰ লগত জড়িত আন দুজন অভিযুক্তক সহায় আগবঢ়াইছিল। চলিত মাহৰ আৰম্ভণিতেই সংঘটিত এই বিস্ফোৰণৰ ঘটনাত কেইবাজনো লোক আহত হৈছিল।

oooooo

কাৰাবন্দী গেংষ্টাৰৰ পৰা ৰাজনৈতিক নেতালৈ পৰিৱৰ্তন ঘটা মুখটাৰ আনচাৰীৰ কালি নিশা উত্তৰ প্ৰদেশৰ বান্দা চিকিৎসা মহাবিদ্যালয় হস্পিতালত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হোৱাৰ ফলত মৃত্যু হয়। পূৰ্বে আনচাৰীক ৰখা জিলা কাৰাগাৰতেই অসুস্থ হৈ পৰাৰ ফলত তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটা বুলি অভিযোগ উত্থাপিত হোৱাৰ পাছতেই তেওঁক হাস্পাতালত ভৰ্তি কৰোৱা হয়।

উত্তৰ প্ৰদেশৰ আৰক্ষী সঞ্চালকপ্ৰধান প্ৰশান্ত কুমাৰে কৈছে যে, আনচাৰীৰ মৃত্যুৰ পিছত ৰাজ্যখনত ১৪৪ ধাৰাৰ অধীনত নিষেধাজ্ঞা জাৰি কৰা হৈছে। ৰাজ্যখনৰ গাজিপুৰ, মাও, বাৰাণসী আৰু অন্যান্য জিলামূহত প্ৰতিৰোধমূলক ব্যৱস্থা হিচাপে নিৰাপত্তা কটকটীয়া কৰা হৈছে। উল্লেখযোগ্য যে, যোৱা সপ্তাহত আনচাৰীৰ অধিবক্তাই বাৰাবাংকিৰ এখন আদালতত তেওঁৰ উপযুক্ত স্বাস্থ্য পৰীক্ষা নকৰাৰ অভিযোগ উত্থাপন কৰি আবেদন দাখিল কৰিছিল।

উত্তৰ প্ৰদেশৰ মাও সমষ্টিৰ পৰা পাঁচ বাৰৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত মুখটাৰ আনচাৰী সম্পত্তিৰ ব্যৱসায়ৰ সৈতে জড়িত থকাৰ লগতে উত্তৰ প্ৰদেশ আৰু বিভিন্ন ঠাইত সংঘটিত ষাঠিটাতকৈ অধিক অপৰাধমূলক গোচৰৰ অভিযুক্ত আছিল। তেওঁ ২০০৫ চনৰে পৰা আৰক্ষীৰ জিম্মাত আছিল। আনচাৰীয়ে বহুজন সমাজ পাৰ্টিৰ পৰা দুবাৰকৈ নিৰ্বাচনত অৱতীৰ্ণ হৈছিল।

oooooo

ভাৰতৰ ৰোহন বোপন্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এব্‌ডেনৰ যুটিটো মিয়ামী অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ফাইনেলত প্ৰৱেশ কৰিছে। বোপন্না আৰু এবডেনৰ শীৰ্ষ বাছনিপ্ৰাপ্ত যুটিটোৱে কালি ছেমি ফাইনেলত স্পেইনৰ মাৰ্চেল গ্ৰেণোলৰ্ছ আৰু আৰ্জেণ্টিনাৰ হোৰেচিয়ো জেবালোছৰ যুটিটোক ৬-১, ৬-৪ পোনপটীয়া ছেটত পৰাস্ত কৰে। বোপন্না আৰু এবডেনৰ যুটিটো কাইলৈ ফাইনেলত আমেৰিকাৰ আষ্টিন ক্ৰাজিছেক আৰু ক্ৰ'ৱেছিয়াৰ ইভান ড'ডিকৰ সন্মুখীন হ'ব। এয়া হ'ব ৰোহন বোপন্নাৰ নিজৰ খেলুৱৈ জীৱনৰ চতুৰ্দশ এটিপি মাষ্টাৰ্ছ থাউজেণ্ড প্ৰতিযোগিতাৰ ফাইনেল। খেলুৱৈগৰাকীয়ে বৰ্তমানলৈকে ডাবলছৰ ২৫টাকৈ খিতাপ অৰ্জন কৰিছে।

ছেমি ফাইনেলত লাভ কৰা জয়ৰ সুবাদত ৪৪ বছৰীয়া বোপন্নাই এটিপিৰ ডাবলছৰ বাছনি তালিকাত পুনৰ প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

oooooo

ৰাজস্থান ৰয়েলছে যোৱা নিশা জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ডেলহি কেপিটেলছক ১২ ৰানত পৰাস্ত কৰে। খেলখনত ৰাজস্থানে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৫ উইকেটৰ বিনিময়ত ১৮৫ ৰান কৰে। ৰাজস্থানৰ হৈ ৰিয়ান পৰাগে মাত্ৰ ৪৫টা বলত ৮৪ ৰান কৰি অপৰাজিত হৈ ৰয়। প্ৰত্যুত্তৰত ডেলহি কেপিটেলছে ২০ অ'ভাৰত ৫টা উইকেট হেৰুৱাই ১৭৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। ৰিয়ান পৰাগক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু কলকাতা নাইট ৰাইডাৰ্চৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

ঃসমাপ্তঃ